# বিভিন্ন পৰিৱেশৰ প্ৰাণী

## অনুশীলনী

**১। খালী ঠাই পূৰ কৰা :**

(ক) মৰুভূমিৰ প্ৰাণীবোৰৰ গাৰ ছাল —— আৰু ——।

**উত্তৰঃ**ডাঠ আৰু নোমাল ।

(খ) মৰুভূমিৰ উদ্ভিদৰ গাত অসংখ্য ——- থাকে।

**উত্তৰঃ** কাঁইট ।

(গ) ——— অঞ্চলত থকা পেংগুইনে দল বান্ধি থাকে।

**উত্তৰঃ**দক্ষিণমেৰু ।

(ঘ) বেছিকৈ জাৰ পৰিলে —— বৰফত গাত খান্দি কেইবা মাহো সোমাই থাকিব পাৰে।

**উত্তৰঃ**মাইকী ভালুকে ।

(ঙ) ——— জলবায়ুৰ পৰিৱেশত বিস্তীৰ্ণ তৃণভূমি অঞ্চল থাকে।

**উত্তৰঃ**গৰম ।

(চ) —— থকাৰ বাবে উদ্ভিদৰ ৰং সেউজীয়া ।

**উত্তৰঃ**পত্ৰহৰিৎ ।

(ছ) মাছে ——- সহায়ত পানীত সাতুৰিব পাৰে।

**উত্তৰঃ**ফিচাৰ ।

(জ) ভেকুলী এবিধ ——-  প্ৰাণী।

**উত্তৰঃ**উভচৰ ।

(ঝ) মাংসহাৰী চৰাইৰ ভৰিৰ নখ ——- হয়।

**উত্তৰঃ**দীঘল ।

(ঞ) কেঁচু, শহাপহূ আদি প্ৰাণীয়ে ——-  ভিতৰত বাস কৰে।

**উত্তৰঃ**গাতৰ ।

**২। উত্তৰ কৰা :**

**(ক) পৰিবেশ বুলিলে কি বুজা ?**

**উত্তৰঃ**উদ্ভিদ, প্ৰাণীৰ থকা ঠাই আৰু ইহঁতৰ চাৰিওফালৰ অৱস্থা পৰিবেশ বোলে।

**(খ) মৰুভূমিত থকা উদ্ভিদৰ গাত কাঁইট থাকে কিয় ?**

**উত্তৰঃ**মৰুভূমিৰ উদ্ভিদে যিখিনি পানী পায় সেইখিনিকেই ইহঁতে মঙহাল গা-গছত জমা কৰি ৰাখে। মৰুভূমিৰ উদ্ভিদৰ পাতবোৰ কাঁইটলৈ ৰূপান্তৰ হোৱা বাবে ইহঁতৰ দেহৰ পৰা পানী বাহিৰলৈ ওলাই যাব নোৱাৰে।

**(গ) মৰুভূমিৰ প্ৰাণী উটৰ পিঠিত থকা কুজটোৱে কেনেদৰে সহায় কৰে ?**

**উত্তৰঃ**উটৰ পিঠিৰ কুঁজটোত বহু পৰিমাণে চৰ্বি আৰু পানী ইহঁতে জমা কৰি ৰাখে। মৰুভূমিত বহুদিনলৈ খাদ্য আৰু পানীৰ অভাৱ হলেও ইহঁতে শৰীৰত জমা হৈ থকা চৰ্বি আৰু পানীৰে বহুদিনলৈ চলিব পাৰে।

**(ঘ) পৃথিৱীত কিমান বিধৰ কেকটাছ আছে ?**

**উত্তৰঃ**পৃথিৱীত প্ৰায় এহেজাৰ বিধৰ কেকটাছ আছে।

**(ঙ) মৰুভূমিৰ প্ৰাণীয়ে গৰম কেনেদৰে সহ্য কৰিব পাৰে লিখা।**

**উত্তৰঃ**মৰুভূমিৰ প্ৰাণীবোৰৰ গাৰ ছাল ডাঠ আৰু নোমাল হোৱা বাবে বাহিৰৰ গৰম সহজতে শৰীৰৰ ভিতৰলৈ সোমাব নোৱাৰে।

**(চ) শীতল ঠাইৰ প্ৰাণীৰ বৈশিষ্ট্য লিখা।**

**উত্তৰঃ**শীতল ঠাইৰ প্ৰাণীৰ বৈশিষ্ট্য হল-

(i) প্ৰাণীৰ শৰীৰটো দীঘল আৰু ঘন নোমেৰে ঢকা।

(ii) ইহঁতৰ ভৰিৰ তলতো নোম থাকে।

**(ছ) বল্গা হৰিণ ক'ত পোৱা যায় ?**

**উত্তৰঃ**বল্গা হৰিণ উত্তৰ মেৰু অঞ্চল আৰু উত্তৰ আমেৰিকাত পোৱা যায়।

**(জ) তৃণভূমি অঞ্চলত কোনবোৰ প্ৰাণী বাস কৰে ?**

**উত্তৰঃ**তৃণভূমি অঞ্চলত থকা প্ৰাণী সমূহহ'ল – সিংহ, জিৰাফ, জেব্ৰা,হাতী আদি।

**(ঝ) মাছে কিহৰ সহায়ত পানীত উশাহ লয় ?**

**উত্তৰঃ**মাছে ফুলৰ সহায়ত পানীত উশাহ লয়।

**(ঞ) পানীত হোৱা কেইবিধ মান উদ্ভিদৰ নাম লিখা।**

**উত্তৰঃ**পানীত হোৱা কেইবিধমান উদ্ভিদ হ'ল – পদুম ফুল, মেটেকা,ভেট ফুল আদি।

**(ট) উভচৰ প্ৰাণীৰ বৈশিষ্ট্য কি ?**

**উত্তৰঃ**উভচৰ প্ৰাণীৰ বৈশিষ্ট্য-

(১) উভচৰ প্ৰাণী মাটি, পানী উভয়তে থাকিব পাৰে।

(২) উভচৰ প্ৰাণীৰ ঠেঙৰ আঙুলিবোৰ পাতল ছালেৰে লগ লগোৱা বাবে পানীত সাঁতুৰিব পাৰে।

(৩) উভচৰ প্ৰাণীৰ গাৰ গঠন মাটি আৰু পানী দুয়োটা পৰিৱেশত জীয়াই থকাৰ কাৰণে উপযোগী।

**(ঠ) চৰাইৰ শাৰীৰিক গঠন বৰ্ণনা কৰা।**

**উত্তৰঃ**চৰাইবোৰ বতাহত উৰিব পাৰে। চৰাই ওপৰলৈ উৰিব পৰাকৈ ডাঙৰ ডেউকা থাকে। মাংসহাৰী চৰাইৰ চিকাৰ কৰি খাব,ঠেঙৰ নখ দীঘল হয়। ‘

(**ড) কেইবিধমান মাটিত বগাই যোৱা প্ৰাণীৰ নাম লিখা।**

**উত্তৰঃ**মাটিত বগাই যোৱা প্ৰাণী হ’ল জেঠী, সাপ, ঘৰিয়াল আদি।

**(ঢ) অভিযোজন কাক বোলে ?**

**উত্তৰঃ**সকলো জীৱই বিভিন্ন পদ্ধতিৰে পৰিবেশৰ লগত খাপ খাবলৈ যত্ন কৰে। পৰিৱেশৰ লগত খাপ খাবলৈ যত্ন কৰা এই কৌশলক অভিযোজন বোলে।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**১। উটৰ ঠেঙত থকা খুড়াবোৰ ফাঁট মেলা হয় কিয় ?**

**উত্তৰঃ**উটৰ ঠেঙত থকা খুড়াবোৰ ফাঁট মেলা বাবে ইহঁতে গৰম বালি, – খোজ কাঢ়োঁতেও অসুবিধা নাপায়। খুড়াৰ ফাটেৰে বালিবোৰ সহজতে ওলাই যায়।

**২। সাগৰ ফেনাৰ গঠন বৰ্ণনা কৰা।**

**উত্তৰঃ**সাগৰ ফেনা মৰুভূমিত হোৱা এবিধ উদ্ভিদ । সাগৰ ফেনাৰ ডাল -পাত নাথাকে। গাত অসংখ্য কাঁইট থাকে। গা-গছ মঙহাল আৰু সেউজীয়া। সাগৰ ফেনাই যিখিনি পানী পায় সেইখিনিকেই মঙহাল গা-গছত জমা কৰি ৰাখে। ইহঁতৰ পাতবোৰ কাঁইটলৈ । ৰূপান্তৰ হোৱা বাবে ইহঁতৰ দেহৰ পৰা পানী বাহিৰলৈ ওলাই যাব নোৱাৰে। খাদ্য ইহঁতৰ গা-গছেই প্ৰস্তুত কৰে।

**৩। কেকটাছ পানীৰ অভাৱত কেনেদৰে জীয়াই থাকিব পাৰে?**

**উত্তৰঃ**কেকটাছৰ শিপা মাটিৰ বহু তললৈকে যায় আৰু তলৰ পৰা পানী সংগ্ৰহ কৰি কাণ্ডত জমা কৰি ৰাখে। সেয়েহে পানীৰ অভাৱতো ই বহুদিনলৈ জীয়াই থাকিব পাৰে।

**৪। পেংগুইনৰ বিষয়ে চমুকৈ লিখা।**

**উত্তৰঃ**পেংগুইন হ'ল শীতল ঠাইত বাস কৰা এবিধ প্ৰাণী। ই পানীত থকা এবিধ চৰাই। ইহঁতৰ পাখিবোৰ সৰু সৰু। সেইবাবে ইহঁতে উৰিব নোৱাৰে। কিন্তু পানীত সাঁতোৰাত ইহঁত বৰ পাকৈত। ইহঁত খোজ কাঢ়ি ফুৰিবও পাৰে। সাগৰৰ সৰু সৰু মাছবোৰ ইহঁতৰ খাদ্য। সাধাৰণতে দক্ষিণ মেৰু অঞ্চলত থকা পেংগুইনবোৰে দল বান্ধি থাকে।

**৫। শ্লেজ কি ?**

**উত্তৰঃ**শ্লেজ হ'ল বৰফত চলা গাড়ী। বৰফত বল্লা হৰিণৰ সহায়ত শ্লেজ গাড়ী চলোৱা হয়।

**৬। ছীল আৰু য়াকৰ বিষয়ে লিখা।**

**উত্তৰঃ**ছীল হ'ল বৰফৰ মাজত থকা এবিধ প্ৰাণী। ইহঁত বৰফত গাত খান্দি থাকে। ছীলে পানীতে সাঁতুৰিব পাৰে। সাগৰৰ মাছ ইহঁতৰ খাদ্য।

ঠাণ্ডা দেশৰ আন এবিধ প্ৰাণী হ'ল য়াক। ইহঁতৰ গাটো দীঘল দীঘল নোমেৰে আবৃত্ত ।

**৭। মাছৰ দেহৰ গঠন চমুকৈ বৰ্ণনা কৰা।**

**উত্তৰঃ**মাছৰ গাটো নাও এখনৰ দৰে। মূৰ আৰু নেজৰ ফালে ঠেক গাটো বহল।মাছৰ ঠেং নাই। ফিচাৰ সহায়ত মাছে পানীত সাতুৰিব পাৰে। মাছে ফুলৰ সহায়ত উশাহ লয়। সঘনে মুখ খন জপোৱা মেলা কৰি থাকে বাবে মাছৰ মুখেৰে পানী সোমাই ফুলেৰে ওলাই যায়। ফুলৰ মাজেৰে যোৱা পানীত থকা অক্সিজেন মাছে শুহি লয় ।

**৮। বৰ্তমান পৃথিৱীত পোৱা আটাইতকৈ ডাঙৰ প্ৰাণীবিধ কি?**

**উত্তৰঃ**বৰ্তমান পৃথিৱীত পোৱা আটাইতকৈ ডাঙৰ প্ৰাণীবিধ হ'ল তিমি । ই এবিধ স্তন্যপায়ী প্ৰাণী।

**৯। সৰীসৃপ প্ৰাণী কাক বোলে ?**

**উত্তৰঃ**মাটিত বগাই যাব পৰা প্ৰাণীক সৰীসৃপ প্ৰাণী বলে। যেনে – জেঠী, সাপ, ঘঁৰিয়াল আদি।

**১০। মাটিত গাত খান্দি বাস কৰা দুবিধ প্ৰাণীৰ নাম লিখা।**

**উত্তৰঃ** মাটিত গাত খান্দি বাস কৰা দুবিধ প্ৰাণী হ'ল কেঁচু, শহাপহু।